সম্পাদনা-সদন

# অনুসূচীকৰণ প্ৰসংগত



শ্ৰেণীসংগ্ৰামৰ বিগত জুলাই ২০০২ সংখ্যৰ সম্পাদকীয় শিতানত আমি অনুসূচীকৰণ প্ৰসংগত মতামত প্ৰকাশ কৰিছিলো। যোৱা ১৯ চেপ্তেম্বৰত জনজাতি সংগঠনসমূহে কোচৰাজবংশীসকলৰ অনুসুচীকৰণৰ বিৰুদ্ধে অসম বন্ধ পালন কৰাৰ বিপৰীতে নামনি অসমত কোচ-ৰাজবংশীসকলে জনজাতি সংগঠনবিলাকৰ নেতৃত্বৰ প্ৰতিমূৰ্ত্তি দাহ কৰাকে ধৰি বিভিন্ন ঘটনা ঘটিছে। এনে ঘটনাবোৰৰ ফলত আমাৰ বঞ্চিত নিপীড়িত জনগোষ্ঠীবোৰৰ শত্ৰুতামূলক দ্বন্দ্ব গঢ় লৈ উঠিব পাৰে বুলি শ্ৰেণীসংগ্ৰামে আশংকা কৰে। শাসকশ্ৰেণীৰ উচতনিত ভোল গৈ তেনে শত্ৰুতাত জড়িত নহ'বলৈ ই সংশ্লিষ্ট সকলো পক্ষক আবেদন জনায়। শ্ৰেণীসংগ্ৰামে ঝাড়খণ্ডী আদিবাসী,কোচ ৰাজবংশী আৰু মৰাণ মটকসকলৰ অনুসূচীকৰণৰ প্ৰতি ইয়াৰ সমৰ্থন পুনৰ দোহাৰে। লগতে এইটোও স্পষ্ট কৰি দিয়ে যে বৰ্তমানৰ জনজাতিসকলৰ ভাগ কাটি এই অনুসূচীকৰণ দিয়া নচলিব। নতুনকৈ অনুসূচীকৰণ হোৱাসকলৰ বাবে পৃথক, জনসংখ্যা - আনুপাতিক আৰু বৰ্দ্ধিত সংৰক্ষণৰ আসনৰ ব্যৱস্থা কৰিব লাগিব।

# মণ্ডল আয়োগ আৰু উজনি অসম স্বায়ত্ত শাসন

অসমত বৰ্তমানে প্ৰায় ৫৫-৬০% লোক অ'বিচি , এম অ'বিচি বুলি জনা যায়। কোচৰাজবংশী,মৰাণ-মটক আৰু ঝাড়খণ্ডী আদিবাসীসকলৰ অনুসূচীকৰণ হ'লে এই তালিকাভূক্ত লোকৰ জনসংখ্যা আধাতকৈও কমি যাব। তেনেক্ষেত্ৰত অ'বিচি এমঅ'বিচিৰ বাবে ন্যূনতম ২৭% আসন সংৰক্ষণৰ হকে মণ্ডল আয়োগৰ পৰামৰ্শ ৰূপায়িত হ'লে উক্ত তালিকাৰ অৱশিষ্ট জনগোষ্ঠী অৰ্থাৎ তাই-আহোম, চুতীয়া, নাথ-যোগী সূত আদিৰ বাবে জনসংখ্যা বলবৎ হ'ব। কথাটো প্ৰণিধানযোগ্য এইবাবেই যিহেতু পশ্চিমবংগৰ দৰে দুই এখন ৰাজ্যক বাদ দি উত্তৰ আৰু দক্ষিণ ভাৰতৰ প্ৰায় সকলো ৰাজ্যতে মণ্ডল আয়োগৰ সিদ্ধান্ত ইতিমধ্যে ৰূপায়িত হৈছে। উত্তৰ প্ৰদেশৰ দৰে ৰাজ্যত ইতিমধ্যে ২৭% সংৰক্ষণ কাৰ্যকৰী হৈছে, আনহাতে দক্ষিণ ভাৰতৰ কে'বাখনো ৰাজ্যত (SC-ST বাদ দি) কেৱল পাছপৰা শ্ৰেণীৰ বাবে সংৰক্ষণেই ৫০%ৰ ওচৰা ওচৰি। সেয়েহে অসমতো মণ্ডল আয়োগৰ সিদ্ধান্ত ৰূপায়ণৰ বাবে চলোৱা আন্দোলনৰ সফলতাৰ সম্ভাৱনা আৰু যুক্তিযুক্ততা দুয়োটাই মজবুত।

ইয়াৰ বিপৰীতে চুতীয়া, তাই-আহোমকে ধৰি প্ৰতিটো সম্প্ৰদায়ে যদি কেৱল অনুসূচিত জনজাতিকৰণৰ দাবীটোহে তোলে তেনেহ'লে তেওঁলোকে প্ৰথমতে বৰ্তমানৰ জনজাতিসকলৰ লগত প্ৰবল সংঘাতত লিপ্ত হ'ব লাগিব। তদুপৰি তেওঁলোকৰ আন্দোলনে আন কে'বাটাও স্তৰ পাৰ হ'ব লাগিব। যেনে - ১। সমাজতাত্বিক-সাংস্কৃতিক-ভাষিক বিভিন্ন দিশৰ পৰা নিজৰ জনজাতীয়তা প্ৰমাণ কৰা, ২। অনুসূচিত জনজাতিৰ তালিকাভুক্ত হোৱা আৰু ৩।তাতোকৈ ডাঙৰ কথা, বৰ্তমানৰ জনজাতিসকলৰ প্ৰবল বাধা নেওচি অনুসূচিভুক্ত হ'লেও বৰ্তমানৰ ১২.৫% জনজাতি সংৰক্ষণেৰে যিহেতু ৫০-৬০% মানুহৰ বাবে আসনৰ দিহা কৰা নাযাব, সেয়েহে পুনৰ সংগ্ৰাম কৰিব লাগিব সংৰক্ষিত আসনৰ সংখ্যা বৃদ্ধিৰ বাবে। ইয়াৰ বিপৰীতে মণ্ডল আয়োগৰ সিদ্ধান্তৰূপায়ণৰ দাবীত তুলনামূলকভাৱে সহজেই সফলতা অৰ্জন কৰিব পৰা যাব বুলি ভবাৰ থল আছে।



# মুছলীমসকলৰ বাবে সংৰক্ষণ প্ৰসংগত

মুছলীমসকলৰ বাবে সংৰক্ষণ অসমৰ চৰবাসী মুছলীমসকলক অন্যান্য পাছপৰা শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰি তেওঁলোকৰ বাবে সংৰক্ষণৰ দিহা কৰাৰ যি প্ৰস্তাৱ কংগ্ৰেছ চৰকাৰে দিছে তাৰ প্ৰতি দুই ধৰণৰ বিৰোধিতা দেখা গৈছে। যেনে ঃ ১) বিজেপিয়ে ইয়াক সাম্প্ৰদায়িক বুলি আখ্যা দি বিৰোধিতা কৰিছে। তাতোকৈ আমোদজনক তথা নিন্দনীয় কথা যে চিপিএমৰ এক ৰাজ্যিক স্তৰৰ নেতাই কাকতত প্ৰবন্ধ লিখি বিজেপি-সদৃশ যুক্তিৰেই এই সংৰক্ষণৰ বিৰোধিতা কৰিছে। ২) আনহাতে সংখ্যালঘু সংগঠন কেতবোৰে চৰকাৰৰ প্ৰস্তাৱক মুছলীমসকলক 'নতুন' বাসিন্দা আখ্যা দিয়া হৈছে বুলি তাৰ বিৰোধিতা কৰিছে।

শ্ৰেণীসংগ্ৰামে দীৰ্ঘদিন ধৰি চৰ অঞ্চলৰ বাসিন্দাসকলকে ধৰি অসমৰ দৰিদ্ৰ মুছলীমসকলক অ'বিচি হিচাপে অন্তৰ্ভুক্তিৰ দাবী কৰি আহিছে আৰু তেওঁলোকৰ বাবে সংৰক্ষণো বিচাৰিছে। বিজেপি-চিপিএমৰ বিৰোধিতা আৰু কংগ্ৰেছ(ই)ৰ দুতলীয়ামিৰ বিপৰীতে আমি দৃঢ়ভাৱে এই সকল লোকৰ হকে দাবী তুলি আহিছোঁ আৰু তুলি থাকিম। (প্ৰসংগত উল্লেখযোগ্য এয়া আমাৰ ভাৰ সংগঠন আৰ্মকাৱো জম্মলগ্নৰ দাবী) ✪



OKDISCD